This Question paper consists of **25** questions and **8** printed pages.

এই প্ৰশ্নকাকতত **25** টা প্ৰশ্ন আৰু **8** খন ছপা পৃষ্ঠা আছে।

Roll No.
ৰোল নং. | | | | | | | | | | | | |

**9078**

# ASSAMESE
# (অসমীয়া)
# (228)

**Code No. 70/S/O/A**
কোড নং

**Set** **A**
ছেট

**Day and Date of Examination** ..................................................................
(পৰীক্ষাৰ দিন আৰু তাৰিখ)

**Signature of Invigilator** 1. ..........................................
(নিৰীক্ষকৰ স্বাক্ষৰ)

2. ..........................................

UNNATI EDUCATIONS

সাধাৰণ নিৰ্দেশাৱলী :

1. সমস্ত প্ৰশ্নৰ উত্তৰ আপোনাক দিয়া উত্তৰ পুস্তিকাত দিব লাগিব।
2. এই প্ৰশ্নপত্ৰখন পঢ়িবৰ বাবে **15** মিনিট সময় দিয়া হৈছে। প্ৰশ্নপত্ৰখন দুপৰীয়া **02:15** বজাত বণ্টন কৰা হ'ব। **02:15**ৰ পৰা **02:30** পৰ্যন্ত সময় বিদ্যাৰ্থীসকলক প্ৰশ্নপত্ৰখন কেৱল পঢ়িবৰ বাবে দিয়া হৈছে। এই সময়ত তেওঁলোকে উত্তৰ পুস্তিকাত কোনোধৰনৰ উত্তৰ লিখিব নোৱাৰিব।
3. প্ৰশ্নকাকতৰ প্ৰথম পৃষ্ঠাত পৰীক্ষাৰ্থীয়ে নিজৰ ৰোল নং সঠিককৈ লিখিব।
4. পৰীক্ষাৰ্থীয়ে প্ৰশ্নকাকতৰ প্ৰথম পৃষ্ঠাৰ শীৰ্ষত উল্লেখ কৰা মতে প্ৰশ্ন বহীখনত মুঠ প্ৰশ্নৰ সংখ্যা ক্ৰমানুসাৰে আছে নে নাই আৰু পৃষ্ঠাৰ সংখ্যা ঠিক মতে আছে নে নাই নিশ্চিত হৈ ল'ব লাগিব।
5. সকলোবোৰ প্ৰশ্নৰ উত্তৰ নিৰ্দিষ্ট সময়ৰ ভিতৰত কৰিব লাগিব।
6. নিৰ্দিষ্ট স্থানৰ বাহিৰে প্ৰশ্ন-উত্তৰ বহীৰ অন্য কোনো স্থানত ৰোল নং বা পৰীক্ষাৰ্থীৰ চিনাক্তকৰণৰ যি কোনো তথ্য লিখিলে পৰীক্ষাৰ্থীৰ পৰীক্ষা বাতিল হ'ব।
7. উত্তৰ বহীত প্ৰশ্নকাকতৰ সাংকেতিক সংখ্যা **70/S/O/A,** ছেট **A** উল্লেখ কৰিব।



**UNNATI EDUCATION**
**9899-436-384: 9654-279-279**

# ASSAMESE
# (অসমীয়া)
# (228)

**সময় : 3 ঘন্টা ]** **[ পূৰ্ণমান : 100**

টোকা :

(i) এই প্ৰশ্নকাকতখনত দুটা খণ্ড আছে – ‘ক’ অংশ আৰু ‘খ’ অংশ।

(ii) প্ৰশ্নকাকতৰ দুয়োটা অংশ সামৰি মুঠ প্ৰশ্ন সংখ্যা **25** টা। সকলো প্ৰশ্নৰ উত্তৰ দিয়াটো বাধ্যতামূলক।

(iii) প্ৰতিটো প্ৰশ্নৰ বিপৰীতে নিৰ্ধাৰিত নম্বৰ দিয়া হৈছে।

(iv) বস্তুনিষ্ঠ/বহুবিকল্প প্ৰশ্ন ‘ক’ অংশ আৰু বিষয়াভিত্তিক/বৰ্ণনামূলক প্ৰশ্ন ‘খ’অংশত দিয়া হৈছে। প্ৰশ্নৰ লগতে সেইবোৰৰ আভ্যন্তৰীণ বিকল্পও দিয়া হৈছে। নিৰ্দেশনা অনুসৰি বিকল্পসমূহ মনত ৰাখি সকলো প্ৰশ্নৰ উত্তৰ দিব।

(v) ‘ক’অংশত মুঠ **17**টা প্ৰশ্ন আছে। **1** নং প্ৰশ্নৰ পৰা **5** নং প্ৰশ্নলৈ মুঠ **20** টা বহুবিকল্প/বস্তুনিষ্ঠ **(MCQ)** প্ৰশ্ন সন্নিৰিষ্ট কৰা হৈছে। প্ৰশ্ন নং **6**ৰ পৰা **17** লৈকে অন্যান্য বস্তুনিষ্ঠ প্ৰশ্ন সন্নিৰিষ্ট কৰা হৈছে।

(vi) ‘খ’ অংশত মুঠ **8**টা প্ৰশ্ন আছে। প্ৰশ্ন নং **18** ৰ পৰা **25** লৈকে বৰ্ণনামূলক আৰু ৰচনাধৰ্মী প্ৰশ্ন সন্নিৰিষ্ট কৰা হৈছে।

(vii) দুয়োটা অংশতে জ্ঞানমূলক, বোধমূলক আৰু প্ৰয়োগমূলক প্ৰশ্ন সন্নিৰিষ্ট কৰা হৈছে।

---

## ক – অংশ

1. তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ লিখক : **1 × 4 = 4**

(i) ‘কাকুতি’ নামৰ বৰগীতটিৰ ৰচক কোন ?

(ক) শ্ৰীহৰিদেৱ (খ) ৰামসৰস্বতী

(গ) শ্ৰীমাধৱদেৱ (ঘ) শ্ৰী শংকৰদেৱ

(ii) তলত কোনখন পুথি হীৰেন ভট্টাচাৰ্য ৰচিত ?

(ক) সপোনৰ সুৰ (খ) সুগন্ধি পখিলা

(গ) বনফুল (ঘ) অন্তিম সুৰ

(iii) জীৱনৰ কি তেজৰ সোঁতে পৰাণত কঁপনি তোলে –

(ক) শীতল (খ) কুহুমীয়া

(গ) তপত (ঘ) ৰঙা

(iv) ৰমজান মাহটো কোন সম্প্ৰদায়ৰ ধৰ্মীয় মাহ ?

(ক) হিন্দু (খ) খ্ৰীষ্টান

(গ) বৌদ্ধ (ঘ) ইছলাম



UNNATI EDUCATIONS
EK KADAM UNNATI KI AUR
UNNATI EDUCATION
9899-436-384: 9654-279-279

2. তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ লিখক : 1 × 4 = 4

(i) কবিৰ মতে পুণ্যৰ আশ্ৰম কোনখন ?

(ক) ধনীৰ পকীঘৰ (খ) দুখীয়াৰ ধুনীয়া পঁজা

(গ) দুখীয়াৰ ভগা পঁজা (ঘ) ওখ বিৰিখত

(ii) বিৰোধৰ মাজত কিহৰ সম্ভাৱনা হৈ কবি আছে ?

(ক) দুখৰ (খ) বিৰোধৰ

(গ) সংহতিৰ (ঘ) প্ৰেমৰ

(iii) কিহৰ আবৰণে জগতৰ জেউতি কমায় ?

(ক) ৰাতিপুৱাৰ আৱৰণে (খ) সন্ধিয়াৰ আৱৰণে

(গ) আন্ধাৰৰ আৱৰণে (ঘ) মনৰ আৱৰণে

(iv) ১৯৪৬ চনৰ আন্দোলনটোক জনা যায় –

(ক) অসহযোগ আন্দোলন (খ) ভাৰতত্যাগ আন্দোলন

(গ) লোণ আইন অমান্য আন্দোলন (ঘ) স্বাধীনতা আন্দোলন

3. তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ লিখক। 1 × 4 = 4

(i) খালী ঠাই পূৰ কৰক :

তাতে হামু ___________ বেড়াই

(ক) বাঘ (খ) কুকুৰ

(গ) হৰিনা (ঘ) মোহিনী

(ii) খালী ঠাই পূৰ কৰক :

ডেকা কালত বৰদলৈয়ে ___________ আৰু ক্ৰিকেট খেলিছিল।

(ক) ফুটবল (খ) টেনিছ

(গ) হকী (ঘ) কাবাডী

(iii) 'কুত্তা' শব্দৰ আধুনিক প্ৰতিশব্দ হৈছে –

(ক) ক'ত (খ) কোনফালে

(গ) কুকুৰ (ঘ) বাঘ

(iv) 'অৰুণ কিৰণ' মানে কি ?

(ক) ৰাতিপুৱাৰ পোহৰ (খ) দোকমোকালি

(গ) হেঙুঁলী কিৰণ (ঘ) সূৰ্যৰ ৰশ্মি



UNNATI EDUCATIONS
EK KADAM UNNATI KI AUR
UNNATI EDUCATION
9899-436-384: 9654-279-279

4. তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ লিখক – **1 × 4 = 4**

(i) শ্ৰীনিধিৰাম কলিতা কোন ?

(ক) গোবৰ্ধন কলিতাৰ পিতৃ (খ) কৰুণাকান্ত কলিতাৰ পিতৃ

(গ) শান্তনা কলিতাৰ ভায়েক (ঘ) হলিৰাম কলিতাৰ ককায়েক

(ii) অসমক প্ৰাচীন কালত কি নামেৰে জনা গৈছিল ?

(ক) শোনিতপুৰ (খ) প্ৰাগজ্যোতিষপুৰ

(গ) কবতোৰা (ঘ) আমবাৰী

(iii) বৰবৰুৱাই খেলিবলৈ বিচাৰি পোৱা কনীকেইটা আছিল ?

(ক) খৈয়া (খ) ঢিলা

(গ) ঘোলা (ঘ) বৰ ডাঙৰ

(iv) কুশান গান নামনি অসমৰ কোন জিলাত পৰিবেশিত হয় ?

(ক) অবিভক্ত কামৰূপ (খ) অবিভক্ত গোৱালপাৰা

(গ) অবিভক্ত বৰপেটা (ঘ) অবিভক্ত দৰং

5. তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ লিখক। **1 × 4 = 4**

(i) ভাৰতবৰ্ষৰ আদিম অধিবাসীসকল হ'ল বৰ্তমানৰ –

(ক) অনুসূচিত জনজাতিসকল (খ) অষ্ট্ৰিক সকল

(গ) চীন তিব্বতীয় সকল (ঘ) আৰ্যসকল

(ii) টিংখং বজোৰা শুনি কোনে সাৰধান বাণী শুনাইছিল ?

(ক) নগৰীয়া বৰুৱাই (খ) লুকুডেকা ফুকনে

(গ) আতন বুঢ়াগোঁহাই (ঘ) জয়ধ্বজ সিংহই

(iii) গড়টোৰে গছজোগা কেনেকৈ জোকাৰিছিল –

(ক) হাতীয়ে জোকোৰাৰ দৰে (খ) মানুহে জোকোৰাৰ দৰে

(গ) ভূঁইকপে জোকোৰাৰ দৰে (ঘ) পৰ্বতৰ মাটি খাই জোকোৰাৰ দৰে

(iv) বন্যপ্ৰাণী সংৰক্ষনৰ মুখ্য উদ্দেশ্য –

(ক) দুটা (খ) চাৰিটা

(গ) তিনিটা (ঘ) এটা

6. তলৰ দিয়াবোৰৰ খালী ঠাই পূৰণ কৰক। **2 × 2 = 4**

(i) পলাইতে নেদেখোঁ __________

দিনে দিনে দৃঢ় __________

(ii) বিদেশীৰ চকু __________

স্বদেশীৰ ওখ __________



UNNATI EDUCATION
9899-436-384: 9654-279-279

7. তলৰ ‘ক’ অংশৰ লগত ‘খ’ অংশ মিলাই লিখক : **4**

| ‘ক’ অংশ (প্ৰাচীন শব্দ) | ‘খ’ অংশ (আধুনিক অৰ্থ) |
|---|---|
| (i) নাছাড়ে | (ক) তোমাৰ |
| (ii) গোড় | (খ) বেয়া |
| (iii) তুৰা | (গ) চৰণ |
| (iv) মন্দ | (ঘ) এৰি নিদিয়ে |

অথবা

| ‘ক’ অংশ | ‘খ’ অংশ |
|---|---|
| (i) জোৰণ দিয়া | (ক) বিয়াৰ অধিবাসৰ পূৰ্বে কৰা অনুষ্ঠান |
| (ii) বায়খু | (খ) মিচিং সকলে ফাগুন মাহত পতা উৎসৱ |
| (iii) আলি আই লৃগাং | (গ) ৰাভা কৃষিজীৱী সমাজৰ উৎসৱ |
| (iv) গাঠিয়ান খুন্দা | (ঘ) বিয়াৰ আগদিনা কৰা এটা অনুষ্ঠান |

8. তলৰ অনুচ্ছেদটো ভালকৈ পঢ়ক আৰু নিম্নলিখিতবোৰৰ নিৰ্দেশ অনুসৰি উত্তৰ লিখক। **1 × 4 = 4**

১৮৬৯ চনৰ দুই আক্টোবৰৰ দিনা গুজৰাটৰ পোৰবন্দৰত মোহনদাস কৰমচাদ গান্ধীৰ জন্ম হয়। তেওঁৰ পিতৃ আছিল পৰমবৈষ্ণৱ কৰমচাঁদ গান্ধী, মাতৃ ধৰ্ম প্ৰাণা পুতলীবাঈ। বাল্যকালতে তেওঁৰ ঘৰখনৰ পৰিৱেশে-বিশেষকৈ মাতৃৰ ধৰ্মনিষ্ঠাই তেওঁৰ চাৰিত্ৰৰ ওপৰত গভীৰ প্ৰভাৱ পেলাইছিল। মোহনদাস লাজকুৰিয়া স্বভাৱৰ ল’ৰা আছিল, কিন্তু সৎসাহস আৰু সত্যবাদিতাৰ কাৰণে তেওঁ ছাত্ৰ-শিক্ষকৰ পৰা শ্ৰদ্ধা আৰু স্নেহ লাভ কৰিছিল।

(i) ১৮৬১ চনৰ দুই অক্টোবৰৰ দিনা ________ পোৰবন্দৰত মোহন দাস কৰমচাঁদ গান্ধীৰ জন্ম হয়।

(ক) আহমদাবাদৰ (খ) ৰাজকোটৰ

(গ) গুজৰাটৰ (ঘ) সবৰমতীৰ

(ii) তেওঁৰ পিতৃ আছিল পৰম বৈষ্ণৱ ___________। (খালী ঠাই পূৰণ কৰক)

(iii) তেওঁৰ ঘৰখনৰ পৰিবেশে বিশেষকৈ মাতৃৰ _____________ তেওঁৰ চৰিত্ৰৰ ওপৰত গভীৰ প্ৰভাৱ পেলাইছিল। (খালী ঠাই পূৰণ কৰক)

(iv) সৎসাহস আৰু কি গুণৰ কাৰণে তেওঁ ছাত্ৰ - শিক্ষকৰ পৰা শ্ৰদ্ধা আৰু স্নেহ লাভ কৰিছিল ?

(ক) পৰোপকাৰিতা (খ) সহিষ্ণুতা

(গ) সত্যবাদিতা (ঘ) চতুৰতা

9. অসমীয়া ভাষা সাহিত্যলৈ আহোমসকলৰ সৰ্বশ্ৰেষ্ঠ অৱদান কি ? **1**

অথবা

“বুৰঞ্জীৰ কথা শুকান হাড়-ছাল-নহয়; তাত ভাৱৰ সমাৱেশ আৰু আবেগৰ সৌৰভ লক্ষ্য কৰিব পাৰি” উক্তিটো কোনজন ঐতিহাসিক পণ্ডিতৰ ?



UNNATI EDUCATIONS
EK KADAM UNNATI KI AUR
UNNATI EDUCATION
9899-436-384: 9654-279-279

10. বাৰিষাৰ বৰষুন কেনে ধৰনৰ ? **1**

অথবা

কালীঘাটত প্ৰতিষ্ঠা কৰা সদনটোৰ নাম কি আছিল ?

11. ঈদ কোনদিনা শেষ হৈছিল ? **1**

অথবা

চৰকাৰে এইবাৰ ৰোজাৰ মাহত কাক টকা দিছিল ?

12. বৰ্তমান যুগটোক কি যুগ বুলি ঠাৱৰ কৰিব পাৰি ? **1**

অথবা

গোপীনাথ বৰদলৈৰ কলেজীয়া জীৱন ক'ত আৰম্ভ হয় ?

13. 'ক' অংশৰ যিকোনো চাৰিটা পাঠৰ লগত 'খ' অংশৰ লিখকৰ নাম মিলাই লিখক : **1 × 4 = 4**

| 'ক' অংশ | 'খ' অংশ |
|---|---|
| (i) ঘুনুচা | (ক) সুৰেন্দ্ৰ মোহন ঠাকুৰীয়া |
| (ii) বতৰটো ফৰকাল | (খ) নাৰায়ণ দাস |
| (iii) ভাৰতৰত্ন গোপীনাথ বৰদলৈ | (গ) ভৃগুমোহন গোস্বামী |
| (iv) বাৰে বৰনীয়া অসমীয়া সংস্কৃতি | (ঘ) চৈয়দ আব্দুল মালিক |
| (v) অসমৰ ওজাপালি অনুষ্ঠান | (ঙ) নকুল চন্দ্ৰ ভূঞা |
| (vi) লুকুভেকা ফুকণৰ দেশভক্তি | (চ) শৰৎ চন্দ্ৰ গোস্বামী |

UNNATI EDUCATIONS
EK KADAM UNNATI KI AUR

14. তলৰ যিকোনো তিনিটা খালী ঠাই পূৰণ কৰক : **1 × 3 = 3**

(i) সংস্কাৰ শব্দৰ সন্ধি ভাঙিলৈ হ'ব ____________

(ii) নৰ + ইন্দ্ৰ সন্ধি কৰিলে হ'ব ____________

(iii) অনাখৰী শব্দৰ সন্ধি ভাঙিলে হ'ব ____________

(iv) প্ৰতি + আশা সন্ধি কৰিলে হ'ব ____________

15. তলৰ যিকোনো তিনিটা খালী ঠাই পূৰণ কৰক : **1 × 3 = 3**

(i) 'মগনীয়া' শব্দৰ প্ৰত্যয় বিন্যাস হৈছে ____________

(ii) 'নাহৰনি' শব্দৰ প্ৰত্যয় বিন্যাস হৈছে ____________

(iii) 'শোৰন' শব্দৰ প্ৰত্যয় বিন্যাস হৈছে ____________

(iv) 'শেহতীয়া' শব্দৰ প্ৰত্যয় বিন্যাস হৈছে ____________



**UNNATI EDUCATION**
**9899-436-384: 9654-279-279**

16. তলৰ **যিকোনো দুটাৰ** খালী ঠাই পূৰণ কৰক : **1 × 2 = 2**

(i) পদুমৰ সমাৰ্থক শব্দ হৈছে ____________

(ii) ঘৰৰ সমাৰ্থক শব্দ হৈছে ____________

(iii) কৰুণৰ বিপৰীতাৰ্থক শব্দ হৈছে ____________

(iv) ওখৰ বিপৰীতাৰ্থক শব্দ হৈছে ____________

17. তলৰ **যিকোনো দুটা** বাক্য এটা শব্দত প্ৰকাশ কৰক : **1 × 2 = 2**

(i) দেশৰ প্ৰতি ভক্ত যিজন ____________

(ii) যাক দেখা নাযায় ____________

(iii) যি ৰাতি চৰে ____________

**খ – অংশ**

(বিষয়নিষ্ঠ প্ৰশ্ন)

18. তলত দিয়া **যিকোনো তিনিটা** প্ৰশ্নৰ উত্তৰ **20-25**টা শব্দৰ ভিতৰত লিখক : **2 × 3 = 6**

(i) ৰমজান মাহত কেনেকৈ সময়বোৰ পাৰ কৰিবলগীয়া হয় ?

(ii) টেৰেছাক কিয় মৰ্ত্যৰ দেৱী স্বৰূপ আখ্যা দিয়ে হৈছে ?

(iii) কুলগুৰুক ঘুনুচাই ক'ত লগ পাইছিল ?

(iv) কবিয়ে আকাশৰ তৰা হ'ব খোজাৰ কাৰন কি ?

19. তলৰ দিয়া **যিকোনো দুটা** প্ৰশ্নৰ উত্তৰ **30-40**টা শব্দৰ ভিতৰত লিখক : **3 × 2 = 6**

(i) জলপ্ৰদূষণৰ উপাদান সমূহ কি কি ?

(ii) অষ্ট্ৰিক নিষাদসকলৰ প্ৰভাৱেৰে অসমীয়া সংস্কৃতি কিমানখিনি পৰিস্ফুট হৈছে লিখা।

(iii) অসমৰ সমাজ আৰু সাংস্কৃতিক জীৱনত ওজাপালিৰ কেনে বিশেষ স্থান আছে - বুজাই লিখক।

UNNATI EDUCATIONS
EK KADAM UNNATI KI AUR

20. তলৰ দিয়া কাব্যাংশৰ কবি আৰু কবিতাৰ নাম উল্লেখ কৰি কাব্যিক সৌন্দৰ্য বৰ্ণনা কৰক : **5**

(ক) যাৰ বুকুৰ উমে মোক দিছে
ভালপোৱাৰ আনন্দ, যৌৱনৰ প্ৰাচুৰ্য। জীৱনৰ নতুন অৰ্থ।
এই দেশৰ প্ৰতিটো পুৰাই মোলৈ লুকাই আনে ঐশ্বৰ্যৰ বিপুল সম্ভাৰ।

**অথবা**

(খ) পুৱাতে ৰথত উঠি
আকাশত বেলিটিয়ে
ঢালি দিয়ে সোনালী কিৰণ;
দুপৰীয়া পাৰ হ'লে
উছাহ মোলান পৰি
পশ্চিমত জিলিকায় হেঙুলী ৰহণ,
আঁতৰিল পুৱাৰ কিৰণ।



UNNATI EDUCATION
9899-436-384: 9654-279-279

21. প্ৰসংগ সংগতি দৰ্শাই কবিতাৰ পৰা এছোৱা আৰু গদ্যৰ পৰা এছোৱা ব্যাখ্যা কৰক : **4 × 2 = 8**

(ক) পখী হে আকাশৰ
বুকুত ফুৰিম উৰি
বাঁহ লম ওখ বিৰিখত;
পুৰতিৰ লগে লগে
জগাম তোমাক নিতে
বনৰীয়া সুৰদী গীতত।

(খ) পলাইতে নেদেখো সন্ধি দিনে দিনে দৃঢ় বন্দী
ভৈলো মন্দ মনৰ যুগুতি।
তুৱা হৰি লাগো গোড় মোৰ মায়া পাশ ছোড়
শংকৰ কৰয় কাকুতি ॥

(গ) বৰ্তমান যুগক পাৰমানৱিক যুগ হিচাপে ঠাঁৱৰ কৰিব পাৰি।

(ঘ) ৰমজান মাহটোক কোনো কোনোৱে মুছলমানৰ মগনীয়াৰ মাহ বুলিও কয়।

22. ভাৱ সম্প্ৰসাৰণ কৰক (যি কোনো দুছোৱা) **4 × 2 = 8**

(ক) কথাত কটা যায়, কথাত বঁটা যায়

(খ) ভাল পায় যিটো হেৰা সকলো জীৱক
ভাল পায় সিজনেহে বেছি ঈশ্বৰক।

(গ) চোৰ গ'লে বুদ্ধি, বৰষুন গ'লে জাপি।

23. তলৰ প্ৰশ্নৰ উত্তৰ **100**ৰ পৰা **150** শব্দৰ ভিতৰত লিখক : **4**

(ক) "ভাৰতৰ ভৌগোলিক অৱস্থিতি গুৰুত্বপূৰ্ণ" – পাঠৰ আধাৰত বুজাই লিখক।

অথবা

(খ) দুই পুৰুষৰ পুৰণি কাজিয়াখনৰ শেষ পৰিনতি কি হ'ল ?

24. তলৰ প্ৰশ্নৰ উত্তৰ **150**ৰ পৰা **200** শব্দৰ ভিতৰত লিখক : **5**

(ক) "গুৰুদেৱে বাৰিষাৰ বৰষুনৰ নিচিনা আশীৰ্বাদৰ ধাৰ পেলাই প্ৰস্থান কৰিলে" — বুজাই লিখক।

অথবা

(খ) এগ্‌নিছৰ শিক্ষা লাভ সম্পৰ্কত পাঠৰ সহায়ত আলচ (আলোচনা) কৰক।

25. তলৰ **যিকোনো এটা** বিষয়ৰ ওপৰত এখন ৰচনা লিখক : **8**

(ক) বাতৰি কাকত

(খ) তোমাৰ জীৱনৰ লক্ষ্য

(গ) অসমৰ প্ৰাকৃতিক সম্পদ



UNNATI EDUCATIONS
EK KADAM UNNATI KI AUR
UNNATI EDUCATION
9899-436-384: 9654-279-279